# SAMPLE QUESTION PAPER OF SUMMATIVE ASSESSMENT -2010

SUBJECT : ASSAMESE : CODE 014
CLASS : IX
SECOND TERM
(OCTOBER TO MARCH)

Max. Marks = 80 Time : 3 Hrs.

| | |
|---|---|
| **SECTION - A : Reading (Comprehension)** | **15 Marks** |
| **SECTION - B : Writing** | **15 Marks** |
| **SECTION - C : Grammar** | **15 Marks** |
| **SECTION - D : Literature / Test Books** | **35 Marks** |

## SECTION - A : Reading (Comprehension)

## (বোধ পৰীক্ষণ)

1. **অনুচ্ছেদ কেইটি পঢ়ি তলৰ প্ৰশ্ন সমূহৰ সঠিক উত্তৰ লিখা ঃ**

(i) বছৰৰ বাৰটি মাহক দুটা দুটা মাহ লগলগাই লক্ষণভেদে মুঠতে ছ'টা ঋতুত ভাগ কৰা হয়। এই হিচাপত শাওন-ভাদ মাহ দুটা বৰ্ষা ঋতু বা বাৰিষা কাল। কিন্তু অসমত বহাগ মাহৰ পৰাই বৰষুণ আৰম্ভ হৈ একেবাৰে আহিন মাহলৈকে থাকে। ইয়াৰ ভিতৰত জেঠ, আহাৰ, শাওন আৰু ভাদ এই চাৰি মাহত বাৰিষাৰ প্ৰকোপ আটাইতকৈ চৰে। অসমীয়া মানুহে সেইবাবে ছ'মাহ বাৰিষা আৰু ছ'মাহ খৰালিকাল এনেদৰে বছৰ টোক দুটা বহল ভাগত ভাগ কৰে। অসম নদ-নদী, পৰ্বত পাহাৰেৰে পৰিপূৰ্ণ। গ্ৰীষ্মকালৰ মৌচুমী বতাহে ইয়াৰ পৰ্বত পাহাৰত বাধা পাই অতি বৰষুণ দিয়ে। ফলত নদ-নদীবোৰ পানীৰে উপচি পৰি পাৰ ভাঙি বৈ যায়।

(ক) অসমত বান পানী হয় - 1

(১) গ্ৰীষ্ম কালত

(২) বৰ্ষা ঋতুত

(৩) বসন্ত ঋতুত

(খ) জেঠ মাহৰ পিচৰ মাহটো হ'ল - 1

(১) শাওন

(২) ভাদ

(৩) আহাৰ

(গ) কোন কেইটা মাহত বাৰিষাৰ প্ৰকোপ আটাইতকৈ চৰে ? 2

(ঘ) নদ-নদী, পৰ্বত-পাহাৰ - এনে শব্দবোৰক কোৱা হয় -- 1

(১) অনুৰূপ শব্দ

(২) যুৰীয়া শব্দ

(৩) অনুকাৰ শব্দ।

(ii) সাধু হোৱাটো অতি কঠিন। সাধু লোকে জীৱনত পদে পদে আঘাত পাবলগীয়া হয়; কিন্তু জ্ঞানীৰ হাতত নহয়, অজ্ঞানীৰ হাততহে। উদাহৰণ স্বৰূপে সত্যৰ সাধক চক্ৰেটিছ মৃত্যু দণ্ডেৰে দণ্ডিত হৈছিল, যিচুখ্ৰীষ্টক ক্ৰুচত বিদ্ধ কৰি হত্যা কৰা হৈছিল। হজৰত মহম্মদ মক্কাৰ পৰা মদিনালৈ পলাই গৈহে শত্ৰুৰ হাতৰ পৰা জীৱন ৰক্ষা কৰিবলগীয়া হৈছিল; আব্ৰাহাম লিঙ্কন, মহাত্মা গান্ধী, জন এফ্ কেনেডী আততায়ীৰ গুলীত প্ৰাণ দিব লগীয়া হৈছিল। এই সকল সাধুপুৰুষৰ তেজ মঙহৰ শৰীৰটোহে ধ্বংস হৈছিল, তেওঁলোকৰ সজ আদৰ্শক কিন্তু বিনাশ কৰিব পৰা নাছিল।

(ক) কোনে ক'লৈ গৈ জীৱন ৰক্ষা কৰিবলগীয়া হৈছিল ? 2

(১) হজৰত মহম্মদে মক্কালৈ পলাই গৈ জীৱন ৰক্ষা কৰিছিল।

(২) হজৰত মহম্মদে মদিনালৈ পলাই গৈ জীৱন ৰক্ষা কৰিছিল।

(৩) যিচুখ্ৰীষ্টই জেৰুঝালেমলৈ পলাই গৈ জীৱন ৰক্ষা কৰিছিল।

(খ) সাধু লোকে জীৱনত পদে পদে আঘাত পাবলগীয়া হয় - 1

(১) জ্ঞানীৰ হাতত

(২) অজ্ঞানীৰ হাতত

(৩) অসাধুৰ হাতত

(গ) মহাত্মা গান্ধী, লিঙ্কন, জন এফ্ কেনেডী প্ৰাণ এৰিছিল - 1

(১) আততায়ীৰ হাতত

(২) দেশদ্ৰোহীৰ হাতত

(৩) শত্ৰুৰ হাতত

(ঘ) 'সাধু' শব্দটিৰ বিপৰীত শব্দ কি ? 1

(১) দুষ্ট

(২) অসাধু

(৩) অসজ

(iii) প্ৰত্যেক জাতিৰে নিজস্ব ভাষা আছে আৰু সেই ভাষাৰ মাধ্যমত জাতিৰ সাহিত্য গঢ়ি উঠে। ভাষা বৃক্ষৰ সাহিত্য সৌৰভময় পুষ্প স্বৰূপ। জাতীয় সাহিত্য জাতিৰ আশা-আকাংক্ষা, আনন্দ-বেদনা আৰু ভাৱ-কল্পনাৰ প্ৰকাশৰ থল। সাহিত্যৰ যোগেদি জাতিৰ মানসিক বিকাশ, সৌন্দৰ্যবোধৰ ধাৰা লক্ষ্য কৰা যায় আৰু অতীত-বৰ্তমানৰ পৰিচয় আৰু ভবিষ্যত জীৱনৰ সম্ভৱনাৰ ইংগিতো পোৱা যায়। কোনো জাতিৰ শিক্ষা-দীক্ষা, কলা-সংস্কৃতি আৰু সমাজৰ প্ৰকৃত পৰিচয় লাভ কৰিবলৈ সেই জাতিৰ সাহিত্য অধ্যয়ন অপৰিহাৰ্য্য।

(ক) ভাষা যদি বৃক্ষ হয়, সাহিত্য তাৰ - 1

(১) সুগন্ধি পুষ্প

(২) সুস্বাদু ফল

(৩) সুন্দৰ পল্লৱ

(খ) অনুচ্ছেদটোৰ আধাৰত উপযুক্ত বাক্যটো বাচি উলিয়াই লিখা ঃ 2

(১) সাহিত্য সমাজৰ প্ৰতিবিম্ব।

(২) সাহিত্য সমাজৰ দাপোন

(৩) সাহিত্য সমাজৰ প্ৰতিচ্ছৱি

(গ) অতীত, বৰ্তমান আৰু ভৱিষ্যত এই তিনিটা - 2

(১) ক্ৰিয়া

(২) কাল

(৩) যুগ

## SECTION - B : (Writing)

## (লিখন কলা)

2. (i) **তলত দিয়া কথাখিনিৰ আলমত এটি নাতিদীৰ্ঘ গল্প লিখা। তদুপৰি গল্পটিৰ নামকৰণ কৰা আৰু নীতিশিক্ষা উল্লেখ কৰা (২০০ টা মান শব্দৰ ভিতৰত) ঃ** 2+4+2 = 8

শিয়ালে গছৰ ডালত কাউৰীৰ মুখত মাংসৰ টুকুটা এটা দেখা পালে - - - - - - - - - - মাংস ডোখৰ খাবলৈ তাৰ মন গ'ল - - - - - - - - - - কাউৰী জনীক সি কবলৈ ধৰিলে - - - - - - - 'তুমি ইমান শুৱলা গীত গোৱা' - - - - - - - - 'আকৌ এবাৰ গীত গাই শুনোৱাচোন'- - - - - - - - - - কাউৰীয়ে গীত গাবলৈ মুখ মেলিলে - - - - - - - - - শিয়ালে মাংস লৈ পলাল।

(ii) ভাৱসম্প্ৰসাৰনা কৰা (যি কোনো এছোৱা) 4

(ক) অধ্যৱসায় মনত লুকাই থকা প্ৰতিজ্ঞাৰ ফল। মনত প্ৰতিজ্ঞা থাকিলে কামত অধ্যৱসায় জন্মে।

অথবা

(খ) মানুহৰ জীৱনত আৰ্হি অব্যৰ্থ বীজ, যি সকলো ঠাইতে গজে।

(iii) খৰাং বতৰৰ বাবে গুৱাহাটী চহৰত দেখা দিয়া পানীৰ অভাৱৰ ওপৰত এখন স্থানীয় অসমীয় বাতৰিকাকতলৈ এখন প্ৰতিবেদন লিখা। 3

## SECTION - C : Grammar

## (ব্যকৰণ)

3. **তলৰ প্ৰশ্ন সমূহৰ শুদ্ধ উত্তৰটি বাছি উলিয়াই লিখা ঃ** 1 x 3 = 3

**(i) শুদ্ধ সন্ধিটো লিখা**

**মহা + উদয়**

(ক) মহদয়

(খ) মহোদয়

(গ) মহাদয়

**ৰত্ন + আকৰ**

(ক) ৰত্নাকৰ

(খ) ৰত্নাআকৰ

(গ) ৰত্নকৰ

**গিৰি + ঈশ**

(ক) গীৰিশ

(খ) গিৰিশ

(গ) গিৰীশ

**(ii) তলৰ বহুবচনৰ চিন চাৰিটা সঠিক প্ৰয়োগ বাছি উলিয়ওৱা।** 1 x 4 = 4

বৃন্দ = (ক) ল'ৰা বৃন্দ
(খ) ভক্ত বৃন্দ
(গ) বৃক্ষ বৃন্দ

সকল = (ক) মানুহ সকল
(খ) আই সকল
(গ) শিশু সকল

জাক = (ক) শিক্ষক জাক
(খ) বৰষুণ জাক
(গ) কিতাপ জাক

থুপি = (ক) কল থুপি
(খ) ফুল থুপি
(গ) কাগজ থুপি

(iii) তলৰ শব্দ কেইটিৰ বিপৰীত লিংগ লিখা ঃ 1 x 4 = 4

(ক) নেতা
(খ) হিম
(গ) তনয়া
(ঘ) ভেলেঙ্গী

(iv) প্ৰত্যয় সমূহৰ শুদ্ধ ৰূপকেইটি লিখা ঃ 1 x 4 = 4

(ক) গমন = গ + অমন
গম্ + অন
গম্ + ন

(খ) ভগনীয়া = ভাগ + অনীয়া
ভগ্ + অনীয়া
ভাগন + ঈয়া

(গ) ৰোৱনী = ৰোৱ + নী
ৰো + অনী
ৰো + অনি

(ঘ) খাৱৰীয়া = খা + অৰীয়া
খাৱ + ৰীয়া
খোৱা + অৰীয়া

## SECTION - D : (Text Book)

## (পাঠ্য পুথি)

### পদ্যাংশ

4. (i) প্ৰসংগ সংগতি দৰ্শাই যিকোনো এছোৱা ব্যাখ্যা কৰা ঃ 1+1+3 = 5

(ক) বীৰ বেশেৰে ধৰ ঝড়ু ধৰ
জাতিৰ জীৱন কৰ মনোহৰ
সাৰি-পুছি চুকে -কোণে
য'ত যি আছে জাহি-জাবৰ

(ক) আকুল প্ৰাণত মোৰ শান্তিৰ নিজৰা
জানো তুমি দিয়া দৰশন।
সুদূৰৰ হৃদয়-ৰতন !

(ii) **শুদ্ধ উত্তৰটি বাছি উলিয়াই লিখা** 1 x 4 = 4

**(ক) অম্বিকা গিৰি ৰায় চৌধুৰীক কি আখ্যা দিয়া হৈছিল ?**

(১) অগ্নি কবি

(২) বিপ্লবী কবি

(৩) অসম কেশৰী

**(খ) কবিয়ে কিহেৰে আঁজলি ভৰাইছে?**

(১) মৰম চেনেহেৰে

(২) আবেগ-অনুভুতিৰে

(৩) বাসনা-ফুলেৰে

**(গ) "সজাত মইনা আছে, ঘনে লগায়ত মাত।।" -- সজাৰ মইনা মানে কি ?**

(১) সজাৰ ভিতৰত থোৱা মইনা চৰাই

(২) দেহৰ ভিতৰত থকা আত্মা

(৩) বুকুৰ ভিতৰত থকা কলিজা

**(ঘ) 'জিকিৰ আৰু জাৰীৰ' - ৰচক জনৰ প্ৰকৃত নাম কি?**

(১) আজান ফকিৰ

(২) ছৈয়দ মাইনুদ্দিন

(৩) চুফী সাধক

(iii) **তলত যিকোনো তিনিটা প্ৰশ্নৰ চমু উত্তৰ লিখা ঃ** 2 x 3 = 6

(ক) "পানী মাৰে পিয়াহত, অগ্নি মৰে জাৰত।
খোদা ৰচুল লুকাই আছে, মোমিনৰ আঁৰত।" ---- কবিতা ফাঁকিৰ অন্তৰ্নিহিত ভাৱ বুজাই লিখা।

(খ) তলৰ শব্দ কেইটিৰ প্ৰতিটোৰে একোটাকৈ সমাৰ্থক শব্দ লিখা

অগ্নি =

পানী =

বাট =

বিপৰীত =

(গ) 'জিকিৰ আৰু জাৰী' পাঠটিৰ মাজেৰে মানৱদেহৰ বিষয়ে কি ভাৱ প্ৰকাশ পাইছে?

(ঘ) ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ কাব্য পুথি চাৰিখনৰ নাম লিখা

(ঙ) কৰিলিতো ইমানদিনে
পৰা গোলামী হীনে-ঘিণে। -- কবিতা ফাঁকিত কোনে কাৰ গোলামী কৰাৰ কথা কৈছে?

## গদ্যাংশ

5. (i) **প্ৰসংগ সংগতি দৰ্শাই যিকোনো এছোৱা ব্যাখ্যা কৰা ঃ** 1+1+3 = 5

(ক) অৱহেলিত শৰীৰৰ ভিতৰত লুকাই থকা প্ৰাণটোৰ মায়াত তাই ভিখাৰিণী।

(খ) ভাৰত বৰ্ষক যদি ভাৰত মাতা বোলা হয়, তেন্তে ভাৰতৰ বৈচিত্ৰ্যবোৰ হ'ল - সেই মাতাৰ বিভিন্ন অংগ-প্ৰত্যংগ আৰু ভাৰতৰ ঐক্য হ'ল ভাৰত মাতাৰ অবিনাশী আত্মা ।

(ii) **যিকোনো তিনিটা প্ৰশ্নৰ চমু উত্তৰ লিখা ঃ** 2 x 3 = 6

(ক) চুটি গল্পৰ দুটি লক্ষণ লিখা।

(খ) সুকুমাৰ কলা কোন বিলাক?

(গ) শংকৰৰ আকাৰ ইকাৰ নোহোৱা পদ্যটি দেখি অধ্যাপকে কি বুলি কৈছিল।

(ঘ) 'ৰাজাক স্বদেশেহে পূজে, বিদ্যাৱন্ত সৰ্বদেশে পূজ্য ।' -- কথাষাৰ কোনে কাক কৈছিল? ইয়াৰ অৰ্থ কি?

(iii) **তলত শুদ্ধ উত্তৰ কেইটি বাছি উলিয়াই লিখা ঃ** 1 x 4 = 4

**(ক) শংকৰদেৱে হৰিশ্চন্দ্ৰোপাখ্যান পুথিখন কোনখন পুৰাণৰ পৰা অনুবাদ কৰিছে?**

(১) মাৰ্কাণ্ডেয় পুৰাণ

(২) কালিকা পুৰাণ

(৩) বিষ্ণু পুৰাণ

**(খ) 'গুৰু গৃহত শংকৰদেৱ' পাঠটি কোনখন পুথিৰ পৰা লোৱা হৈছে?**

(১) গুৰুচৰিত

(২) কীৰ্তন

(৩) কথাগুৰু চৰিত

**(গ) দক্ষিণ ভাৰতৰ তামিল, তেলেগু আদি লোক সকল কোন গোষ্ঠীৰ লোক?**

(১) আৰ্য গোষ্ঠীৰ

(২) আদিবাসী

(৩) দ্ৰাৱিড় গোষ্ঠীৰ

**(ঘ) মহাভাৰতৰ ৰচয়িতা হ'ল -**

(১) বাল্মিকী

(২) ব্যাস

(৩) বিশ্বামিত্ৰ

6. (i) **তলৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা ঃ** 1 x 3 = 3

(ক) "বিহুৰ অতিথী সাক্ষাৎ দামোদৰ।" বিহুৰ এই অতিথি সকল হ'ল ---

(১) সৰু ৰঙা আৰু বৰ ৰঙা

(২) মোমায়েক দীনেশ

(৩) মণি আৰু ফণি

(খ) মুকুটে গৰু হাল কাৰ ওচৰত বেচাৰ কাৰণে অলপ শান্তি পালে?

(১) মৈমন-চিঙীয়া কাম্‌লাক

(২) মাৰোৱাৰীক

(৩) খেতিয়কক

(গ) গৰুক নোওৱা হয় --

(১) বহাগ বিহুত

(২) কাতি বিহুত

(৩) মাঘ বিহুত

(ii) **চমু উত্তৰ লিখা ( যি কোনো এটা)** 2 x 1 = 2

(ক) ভানুৱে ভায়েক দীনেশৰ বাবে খোৱাৰ কিকি যোগাৰ কৰিছিল?

(খ) বিহুৰ দিনা গৰুহালক চোতালত দেখি মুকুট আৰু ভানুৱে কি কৰিছিল?

-----ooo-----